জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৮১/২০২১

# ইণ্ডিয়ান ৰেডক্ৰছ ছ'চাইটি, শিলচৰৰ বহুমুখী ভৱনৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৮ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰত ইণ্ডিয়ান ৰেডক্ৰছ ছ'চাইটি, শিলচৰৰ এটা বহুমুখী ভৱনৰ নিৰ্মাণ কাৰ্য ভূমি পূজনেৰে শুভাৰম্ভ কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰেডক্ৰছ ছ'চাইটিৰ এক ঐতিহ্য আছে। মাদাৰ টেৰেছাৰ হাতেৰে ইণ্ডিয়ান ৰেডক্ৰছ ছ'চাইটি, শিলচৰৰ কাম-কাজ আৰম্ভ হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সংস্থাই বৰাক উপত্যকাৰ জনসাধাৰণলৈ দীৰ্ঘদিন ধৰি সেৱা আগবঢ়াই আহিছে। পাঁচ মহলীয়া এই ভৱনটো নিৰ্মাণ হৈ উঠিলে অঞ্চলটোৰ ৰাইজলৈ আৰু অধিক ফলপ্ৰসূ সেৱা আগবঢ়াবলৈ সক্ষম হ'ব বুলিও তেওঁ কয়। ৰাজ্য চৰকাৰে ইতিমধ্যে এই ভৱনটো নিৰ্মাণৰ বাবে ৫০ লাখ টকা আগবঢ়াইছে আৰু পৰৱৰ্তী পৰ্যায়ত আৰু ৫০ লাখ টকা আগবঢ়াব বুলি তেওঁ জানিবলৈ দিয়ে। এক দাতব্য চিকিৎসা সেৱা সংস্থা হিচাপে এই অনুষ্ঠানটোৱে দুখীয়া আৰু আৰ্তজনলৈ মানৱীয় দৃষ্টিভংগীৰে সেৱা আগবঢ়াব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে পৃথিৱীজুৰি হোৱা ক'ৰনা মহামাৰীৰ পিছত স্বাস্থ্য আন্তঃগাঁথনিৰ উন্নয়নৰ প্ৰয়োজনীয়তা সকলোৱে উপলব্ধি কৰিবলৈ সক্ষম হৈছে। এই ভাইৰাছে বিশ্বৰ অৰ্থনীতি, সমাজনীতি, ৰাজনীতি আদি সকলো দিশতে নেতিবাচক প্ৰভাৱ পেলাইছে বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰে স্বাস্থ্যখণ্ডৰ উন্নয়নৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। সেইবাবে ভাৰতৰ বহু ৰাজ্যতকৈ অসমৰ স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি অধিক উন্নত বুলিও তেওঁ কয়। ভৱিষ্যতে হ'ব পৰা প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ আমি প্ৰতি মুহূৰ্ততে সাজু থাকিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বিধায়ক দ্বিপায়ন চক্ৰৱৰ্তীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংসদ ৰাজদ্বীপ ৰয়, উপায়ুক্ত কীৰ্তি জালি আৰু ইণ্ডিয়ান ৰেডক্ৰছ ছ'চাইটিৰ ৰাজ্যিক শাখাৰ সাধাৰণ সম্পাদক দিগন্ত বুজৰবৰুৱাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত পৰিৱেশ আৰু বন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ পল্লৱ লোচন দাস, বিধায়কদ্বয় কৌশিক ৰায় আৰু মিহিৰ কান্তি সোম প্ৰমুখ্যে বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**পুঃডেঃ**
**১৮-০৯-২০২১**